

# জৱাহৰ জ্যোতি

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

ত্ৰয়োদশ সংখ্যা ঃ ১৯৯০-৯১

তত্ত্বাৱধায়ক ঃ
শ্ৰীলক্ষ্মী কান্ত শৰ্মা

সম্পাদক ঃ
শ্ৰীকৈলাশ কলিতা

# জৱাহৰ-জ্যোতি

## দ্বিতয় খণ্ড

ত্ৰয়োদশ সংখ্যাৰ পৰা বিংশ সংখ্যা,
দ্বাবিংশ সংখ্যা আৰু পঞ্চ বিংশ সংখ্যাৰ পৰা
অষ্ট বিংশ সংখ্যালৈ

সঙ্কলক
ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# জৱাহৰ জ্যোতি

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

ত্ৰয়োদশ সংখ্যা ঃ ১৯৯০-৯১

তত্ত্বাৱধায়ক ঃ
শ্ৰীলক্ষ্মী কান্ত শৰ্মা

সম্পাদক ঃ
শ্ৰীকৈলাশ কলিতা

## সম্পাদনা সমিতি ঃ

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ, সভাপতি
অধ্যাপক বসন্ত কুমাৰ দত্ত, উপ-সভাপতি
অধ্যাপক লক্ষী কান্ত শৰ্মা, তত্বাৱধায়ক
অধ্যাপক শৰৎ চন্দ্ৰ তালুকদাৰ, সদস্য
অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা, সদস্য
অধ্যাপক যতীন মেধি, সদস্য
অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া, সদস্য
অধ্যাপক প্ৰাণেশ্বৰ নাথ, সদস্য
শ্ৰীকৈলাশ কলিতা, সম্পাদক
শ্ৰীলক্ষ্মণ প্ৰসাদ ৰাভা, ( সাধাৰণ সম্পাদক )
ছাত্ৰ [illegible], ছাত্ৰ একতা, সভা

বেটুপাত শিল্পী : অধ্যাপক প্ৰাণেশ্বৰ নাথ

অঙ্গ সজ্জা : সম্পাদক, তত্বাৱধায়ক

আলোক চিত্ৰ : ষ্টুডিঅ' ৰূপা, বকো

ছপা : জনতা প্ৰেছ, মিৰ্জা

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯০-৯১ ইং চনৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীকৈলাশ কলিতাৰ দ্বাৰা প্ৰকাশিত আৰু জনতা প্ৰেছ ( মিৰ্জা ) ত মুদ্ৰিত ।

# অশ্ৰু অঞ্জলি

## আমাৰ মাজত যিসকল আৰু নাই

ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা অসমৰ এগৰাকী সুযোগ্য নেতা দিনেশ চন্দ্ৰ গোস্বামী, অসমৰ এগৰাকী বিশিষ্ট শিল্পী তথা বোলছবি নিৰ্মাতা নিপ বৰুৱা, হিন্দী ছবি জগতৰ অন্যতম নায়িকা নুতন, ভাৰতীয় কম্যুনিষ্ট পাৰ্টিৰ প্ৰবীণ নেতা এছ. এ, ডাঙ্গে, কবি নিত্যা দত্ত, বিশিষ্ট ব্যৱসায়ী গজেন কলিতা, বিশিষ্ট গায়ক জ্যোতিষ ভট্টাচাৰ্য্য আৰু বিভিন্ন ঠাইত হিংসাৰ বলি হৈ মৃত্যু বৰণ কৰা খ্যাত-অখ্যাত লোকসকল আৰু অকালতে মৃত্যুক সাৱটি লোৱা আমাৰ মহাবিদ্যালয়ৰ উদীয়মান ছাত্ৰ-ছাত্ৰী ক্ৰমে বংশীধৰ ৰাভা, জগৎ চন্দ্ৰ নাথ, হেমন্ত ৰাভা আৰু জিলি ৰাভাৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰি অশ্ৰু-অঞ্জলি যাঁচিছোঁ আৰু তেখেতসকলৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰিছোঁ ।

# এই সংখ্যাত আছে


সম্পাদকীয় : :


## কবিতা


| | | | | |
|---|---|---|---|---|
| জোখ | : | শ্রীললিত চন্দ্র ৰাভা | : | ১ |
| কি সতে মই গীত গাওঁ | : | শ্রীকৈলাশ কলিতা | : | ২ |
| মই বিষ্ণুৰাভাই কৈছো | : | শ্রীপ্রফুল্ল ৰাভা | : | ২ |
| নেলচন মেণ্ডেলা | : | শ্রীঅৰুণ চন্দ্র বড়ো | : | ৩ |
| আইলৈ | : | কুমাৰী মীৰা মহন্ত | : | ৪ |
| জীৱন | : | শ্রীশোণিত ৰাভা | : | ৫ |
| পৰাজয় | : | শ্রীলোহিত ৰাভা | : | ৫ |
| তেজৰ নৈ | : | শ্রীজয়ন্ত কলিতা | : | ৫ |
| সময় | : | শ্রীহেমন্ত মহন্ত | : | ৬ |
| ক্ষুব্ধ মন | : | শ্রীপ্রসন্ন ৰাভা | : | ৬ |
| বিষাদ | : | মিচ্ জৰা ঠাকুৰীয়া | : | ৬ |
| অবক্ষয় | : | শ্রীদ্বিজেন্দ্র কুমাৰ দাস | : | ৭ |
| আৰু কিমান দিন | : | শ্রীপ্রগতি খাটনীয়াৰ | : | ৭ |
| প্রিয়তমা | : | শ্রীহীৰামণি বৰা | : | ৮ |
| আমাক জীয়াই থকাৰ অধিকাৰ লাগে | : | শ্রীৰণিত ৰাভা | : | ৮ |
| তেজৰঙা বাট | : | শ্রীবসন্ত কুমাৰ দত্ত | : | ৯ |
| লগ পাম | : | শ্রীপ্রণয় কলিতা | : | ১০ |
| হেৰাই যোৱাজনৰ আশা | : | শ্রীবিজয় কুমাৰ নাথ | : | ১০ |
| নহয় নিজৰ | : | শ্রীসবিন কুমাৰ বৈশ্য | : | ১১ |
| সমাগত দিনবোৰ | : | শ্রীসঞ্জয় দাস | : | ১১ |
| প্রতিজ্ঞা | : | মিচ্ দময়ন্তী মেধি | : | ১২ |
| শ্রোতা বিচাৰি | : | – দিলীপ দাস | : | ১৩ |

## গল্প


| | | | |
|---|---|---|---|
| বেঙণি | : | শ্ৰীদ্বিজেন্দ্ৰ কুমাৰ দাস | : ১৪ |
| পখিলা পাখিৰ ৰং | : | শ্ৰীললিত চন্দ্ৰ ৰাভা | : ১৮ |
| শুধবণি | : | মিচ্ হীৰামণি বৰা | : ২২ |
| নতুন পথৰ সন্ধানত | : | শ্ৰীবিজয় কুমাৰ নাথ | : ২৫ |
| আৱিষ্কাৰ ( একাঙ্কিকা নাট ) | : | শ্ৰীদ্বিজেন্দ্ৰ কুমাৰ দাস | : ২৯ |


## প্ৰবন্ধ


| | | | |
|---|---|---|---|
| বেণুধৰ শৰ্মাৰ ব্যক্তিত্ব আৰু সাহিত্যিক অৱদান | : | মিচ্ জৰা ঠাকুৰীয়া | : ৪৩ |
| পৰিবেশ, প্ৰদূষণ আৰু আমি | : | মিচ্ অৰ্চনা দাস | : ৪৯ |
| প্ৰাচীন ভাৰতত স্ত্ৰী-শিক্ষা : এটি জিলিঙণি | : | মিচ্ বিজুমণি শৰ্মা | : ৫৪ |
| পীৰ আজান ফকিৰ আৰু অসমীয়া সাহিত্য-সংস্কৃতিত তেওঁৰ অৱদান | : | মঃ নুৰুল ইছলাম | : ৫৭ |
| অসমীয়া ভাষাৰ কিছুমান পদ্ধতি আৰু উচ্চাৰণ সমস্যা | : | শ্ৰীধৰ্মকান্ত বৰুৱা | : ৬১ |
| ১৯৯০-৯১ চনৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ | : | | : ৬৭ |
| বিভাগীয় সম্পাদক, সম্পাদিকাৰ প্ৰতিবেদনসমূহ | : | | : ৭৪ |


—:×:—

## সম্পাদকীয়

# আমি এবাৰ গান্ধীজীক মনত পেলাওঁ আহক !

সমগ্ৰ বিশ্ব আজি হিংসা আৰু উত্তেজনাৰে ভৰি পৰিছে। চাৰিওফালে কেৱল হাঁহাকাৰ, আন্দোলন, সন্ত্ৰাসবাদ আৰু ৰক্তপাত। এনে এক হিংসাৰ বাতাবৰণত মানুহৰ নিৰাপত্তা বিঘ্নিত হোৱাই নহয়—মনুষ্যত্ববোধ, মানৱতাবোধ তথা নৈতিকতাৰো অপমৃত্যু ঘটিছে।

পৃথিৱীৰ অন্যান্য প্ৰান্তৰ লগতে ভাৰতবৰ্ষৰ পৰিস্থিতিও বৰ্তমান অতি জটিল আৰু ভয়াবহ। ধৰ্মক লৈ, ভাষাক লৈ, জাত-পাতক লৈ ভাৰতৰ ৰাজনীতি যেন তল-ওপৰ। তদুপৰি স্বকীয়া ৰাজ্যৰ দাবী কৰি হোৱা আন্দোলন আৰু বিচ্ছিন্নতাবাদী আন্দোলনবোৰে সমগ্ৰ ভাৰতবৰ্ষৰ পৰিস্থিতি অশান্ত কৰি তুলিছে। উগ্ৰপন্থী তথা সন্ত্ৰাসবাদী সংগঠনসমূহো নানান হিংসাত্মক কাৰ্য্যত লিপ্ত হৈ পৰা দেখা গৈছে। মুঠতে বিদ্ৰোহ-বিক্ষোভ-আন্দোলন তথা সন্ত্ৰাসবাদে ৰজা-প্ৰজাসকলোকে বিবুধিত পেলাইছে।

জনসাধাৰণে সমুখীন হোৱা প্ৰায়বোৰ সমস্যাৰ মূলতে প্ৰচলিত আৰ্থ-সামাজিক অৱস্থা তথা ৰাজনৈতিক ব্যৱস্থা। জনসাধাৰণৰ সমস্যাৰ নিৰাময়ৰ কাৰণে এনে ব্যৱস্থাৰ পৰিবৰ্তন তথা সং-শোধনৰ বাবে আন্দোলন তথা সংগ্ৰামৰ আৱশ্যকতা অস্বীকাৰ কৰিব নোৱাৰি। সেয়ে আন্দোলনকাৰী সকলৰ লক্ষ্য বা উদ্দেশ্যও অতি মহৎ। কিন্তু অতি পৰিতাপৰ কথা যে বৰ্তমান আন্দোলনকাৰীসকলৰ এচামে আন্দোলনৰ সকলো প্ৰকাৰৰ গণতান্ত্ৰিক পন্থা পৰিহাৰ কৰি প্ৰতিপক্ষৰ বিৰুদ্ধে কৰা সংগ্ৰাম তথা আন্দোলনত হিংসাত্মক নীতি এনেভাৱে অনুসৰণ কৰিব লৈছে যে বিমান অপহৰণ, নিৰীহ মানুহক পণবন্দী কৰি ৰখা, বোমা বিস্ফোৰণ ঘটোৱা, ৰেলগাড়ী বগৰোৱা নিৰ্দোষী মানুহক গুলিয়াই মৰা আদি কাৰ্য্য যেন তেনেই নগণ্য হৈ পৰিছে। এনেবোৰ কাৰ্যই চৰকাৰ পক্ষক কাবু কৰাৰ পৰিবৰ্তে চৰকাৰীকো সমানে প্ৰতিশোধ পৰায়ণ কৰি তুলিছে। আজি আন্দোলন দমনৰ নামত তথা শান্তি প্ৰতিষ্ঠাৰ নামত

চৰকাৰ যন্ত্ৰই চলোৱা অত্যাচাৰৰো কোনো সীমা নাই। কাঁচিখন হাতত লৈ ঘাঁহ কাটিব যোৱা খেতিয়কজনকো অপৰাধী সাজি চৰকাৰী সৈন্যই নিৰ্মমভাৱে গুলিয়াই হত্যা কৰিব পাৰে। সংগ্ৰাম চলোৱাৰ হিংসাত্মক নীতি আৰু আন্দোলন দমনৰ বাবে চৰকাৰে লোৱা ব্যৱস্থাৰ কিন্তু বলি হৈছে নিৰীহ লোকসকল। পঞ্জাব, কাশ্মীৰ তথা দেশৰ অন্যান্য ভাগত হিংসাৰ বলি হোৱা নিৰীহ লোকৰ সীমা সংখ্যা নোহোৱা হৈছে। অতি করুণ আৰু মৰ্মান্তিক সেই দৃশ্য—যেতিয়া ক্ষণ-বোমা বিস্ফোৰিত হৈ দিনটো খাটি হাজিৰাৰ পইচাখিনি লৈ ঘৰৰ লবোণীয়া পৰিয়ালটোৰ বাবে চাউল-নিমখখিনি কিনিবলৈ বুলি বজাৰৰ চাৰি আলি চ'কলৈ ঢাপলি মেলা অৰ্দ্ধাহাৰী লোকজনে নিৰ্মমভাৱে মৃত্যুক সাৱটি লয়। বাস্তৱত আমি এনে নিদাৰুণ দৃশ্যকে দেখি আছোঁ।

বৰ্তমান সময়ত ধৰ্মৰ নামত, সাম্প্ৰদায়িকতাৰ নামত, ক্ষমতাৰ অধিয়া-অধিৰ নামত, হিংসাত্মক আন্দোলনৰ নামত গোটেই পৃথিৱীতে যি তেজৰ নদী প্ৰৱাহিত হ'ব লাগিছে তাক দেখিলে আমাৰ মনলৈ স্বাভাৱিকতে আহে এজন ব্যক্তিৰ ছবি যিজনে মানৱ সমাজক এটি নতুন পথৰ সন্ধান দি গৈছিল। সেই ব্যক্তিজনেই আছিল মহামানৱ মহাত্মা গান্ধী আৰু তেওঁ দেখুৱাই যোৱা সেই পথটি আছিল অহিংসাৰ পথ সত্যৰ পথ। সকলো প্ৰকাৰৰ অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ তেওঁ প্ৰয়োগ কৰা অস্ত্ৰ আছিল অহিংসা আৰু সত্যাগ্ৰহ। সত্যাগ্ৰহ হ'ল সকলো প্ৰকাৰৰ অন্যায়ৰ বিৰুদ্ধে সত্যৰ ভেটিত প্ৰতিষ্ঠিত শান্তিপূৰ্ণ আৰু নিৰস্ত্ৰ প্ৰতিবাদ। তেওঁৰ জীৱনৰ মূলমন্ত্ৰ এই সত্য আৰু অহিংসা নীতিৰে তেওঁ বিশ্বক দেখুৱাই গৈছিল কেনেকৈ হাতত বন্দুক-বাৰুদ নোলোৱাকৈয়ে প্ৰবল প্ৰতাপী বৃটিছ শক্তিৰ বিৰুদ্ধে যুঁজি দেশৰ স্বাধীনতা আনিব পাৰি। তদুপৰি তেওঁ কোনো ধৰণৰ ভীতি প্ৰদৰ্শন নকৰাকৈয়ে কেৱল সত্য আৰু অহিংসাৰ মন্ত্ৰেৰে হাজাৰ হাজাৰ আবাল-বৃদ্ধ-বনিতাক আন্দোলনৰ পথত আনিবলৈ সক্ষম হৈছিল। তেওঁ উপলব্ধি কৰিছিল যে আন্দোলনৰ উদ্দেশ্য মহৎ হ'লে তাক সফল কৰাৰ পথো শুদ্ধ হ'ব লাগিব। তেওঁ এই সত্যটো আৱিষ্কাৰ কৰিছিল যে হিংসাৰে বা অস্ত্ৰ শক্তিৰে কোনো সমস্যাৰ সমাধান সম্ভৱ নহয় বা কাকো কেতিয়াও দমন কৰি ৰাখিব নোৱাৰি।

হিংসা-ভৰা ভাৰতবৰ্ষ এখন গান্ধীজীৰ কাম্য নাছিল। তেওঁৰ জীৱন-দৰ্শন আৰু কাৰ্যপদ্ধতিতো অহিংসাৰ স্পষ্ট প্ৰতিফলন ঘটিছিল। সকলো ধৰ্ম-সম্প্ৰদায় তথা ভাষাৰ লোকক এখন হৃদয়ৰ মাজত ৰাখি অন্ন-বস্ত্ৰৰ সমস্যা নথকা ৰাম ৰাজ্য এখন স্থাপনৰ সপোন দেখোঁতা গান্ধীজীয়ে সেয়ে দেশ বিভাজন তথা স্বাধীনতা লাভৰ মুহূৰ্ত্তত হোৱা ভ্ৰাতৃঘাতী সংঘৰ্ষত যেতিয়া বিভিন্ন ঠাইত হাজাৰ হাজাৰ লোকে প্ৰাণ হেৰুৱাব লগা হৈছিল তেতিয়া ভাত গৈয়ো তেওঁ অহিংসাৰ মহামন্ত্ৰেৰে শান্তি পানী ছটিয়াই-ছিলগৈ। লোভ-মোহৰ উৰ্দ্ধত উঠিব পৰা আজীৱন অহিংসাৰ পূজাৰী আৰু এখন বিশাল হৃদয়ৰ অধিকাৰী এই গৰাকী মহান মানৱতাবাদী কিন্তু শেষত হিংসাৰে বলি হ'ল। "হে ৰাম" বুলি তেওঁ ধৰাৰ বুকুত বিলীন হৈ গ'ল।

সত্য আৰু অহিংসাৰ বেদীত প্ৰাণাহুতি দিয়া গান্ধীজী আজি মৰিও অমৰ। তেওঁ শ্বহীদ হ'ল—বিশ্ব শ্বহীদ। হিংসাৰে ভৰা পৃথিৱীত এই গৰাকী শ্বহীদৰ স্মৃতিয়ে যেন যুগে যুগে মানৱ সমাজক শান্তিৰ পথৰ সন্ধান দি যাব। ৰাজঘাটত নিঃশব্দে চিৰ নিদ্ৰাত মগ্ন থকা এই গৰাকী শ্বহীদৰ মহান আত্মাই আজিও বিশ্বৰ সমূহ জনগণৰ বিবেক জাগ্ৰত কৰক এবাৰ ভগাই তোলক হিংসাৰে কোনো সমস্যাৰ সমাধান নহয় অহিংসা আৰু শান্তিপূৰ্ণ উপায়েৰেহে আজি হিংসাৰে ভৰা পৃথিৱীত সকলো সমস্যা সমাধান কৰাটো সম্ভৱ। হিংসা আৰু উম্মাদনাই গ্ৰাস কৰা পৃথিৱীক শাঁত কৰিবলৈ বেদ উপনিষদৰ উৎপত্তি স্থান পুণ্যভূমি এই ভাৰতবৰ্ষৰ ৰাজঘটৰ পৰাই এতিয়া এছাটি শান্তিৰ শীতল বায়ু প্ৰবাহিত হৈ থাওক দশ দেশান্তৰ বিয়পি। গান্ধীজীৰ পৱিত্ৰ স্মৃতি সোঁৱৰণে আজি আমাক নতুন আলোকৰ সন্ধান দিয়ক—যি আলোকত যেন উদ্ভাসিত হৈ উঠে সমগ্ৰ মানৱ সমাজ।

---

তোমালোকৰ শিক্ষা যদি সত্যতা আৰু পৱিত্ৰতাৰ দৃঢ় ভেটিত গঢ়ি উঠা নাই তেন্তে মই ভাবোঁ, তোমালোকৰ শিক্ষাৰ কোনো মূল্য নাই। তোমালোকে যদি তোমালোকৰ ব্যক্তিগত জীৱনৰ পৱিত্ৰতাৰ প্ৰতি আওকাণ কৰা মই কওঁ তোমালোকৰ জীৱন অথলে গৈছে।

— বাপুজী


---

# আলোকচিত্ৰত মহাবিদ্যালয়ত উদ্‌যাপিত

## নৱাগত আদৰণী সভাৰ ৰেঙণি



ভাষণৰত অৱস্থাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য
মাননীয় শ্ৰীযুত ড° নিৰ্মল কুমাৰ চৌধুৰীদেৱ



সভাপতি হিচাপে ভাষণ দি থকা এটি মুহূৰ্ত্তত
অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ





**আলোক চিত্ৰত :**
নৱাগত আদৰণি সভাত উপস্থিত
থকা নিমন্ত্ৰিত অতিথি তথা
ৰাইজৰ সৈতে অধ্যাপক
অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল।



# কবিতা

## জোখ

শ্ৰীললিত চন্দ্ৰ ৰাভা
২য় বাৰ্ষিক, স্নাতক

[ ১ ]

হৃদয় মোৰ বহাগ
ফুলি উঠে প্ৰান্তে প্ৰান্তে
ৰঙে ৰসে পৰিপূৰ্ণ গোলাপ
গুণ-গুণাই মৌ-মাখি
উটি আহে বতাহত
আশ্চৰ্য এক সুবাসত আচ্ছন্ন
মোৰ সমগ্ৰ সত্তা ।

[ ২ ]

হাত দিলে বুকুত
পুৰি নিব চাবা
তোমাৰো কলিজা
মোৰ এই প্ৰগলভ প্ৰেমে
কলিজাই কলিজাইহে বগায় প্ৰেমে ।

[ ৩ ]

চুই চালেই বুকু
পাব পাৰি গম
মোৰ সত্তাৰ কিমান গভীৰত
এই প্ৰেমৰ ৰোপণ ;
বাঢ়ে দোপে দোপে
ভূমিৰ পৰা ভূমিলৈ
প্ৰেমৰ অবাক অবলোকন ।

# কি সতে মই গীত গাওঁ

শ্ৰীকৈলাশ কলিতা
৩য় বাৰ্ষিক, স্নাতক

কি সতে মই গীত গাওঁ
আশা প্ৰত্যয় আৰু উচ্ছ্বাসৰ
ফুৰিবলৈ যোৱা ভাইটো
আজিও উভতি নাহিল
সিদিনা ন্যায়ৰক্ষীৰ হাতত
ধৰ্ষিতা হ'ল মোৰ ফুলকুমলীয়া
ভনীজনী
আৰু এতিয়া মাজনিশা
বাজআলিত চলিছে মোৰ আইক
ধৰ্ষণ কৰাৰ গভীৰ ষড়যন্ত্ৰ
কি সতে মই গীত গাওঁ
আশা প্ৰত্যয় আৰু উচ্ছ্বাসৰ
পৰিবৰ্ত্তন আৰু সৃষ্টিৰ
বহু কথাই কোৱা হ'ল—
বহু পৰিকল্পনাই কৰা হ'ল
জনতাৰ জুহালত কতদিন
জুইজ্বলা নাই তাৰ উমান
লোৱা নহ'ল
কি সতে মই গীত গাওঁ
আশা প্ৰত্যয় আৰু উচ্ছ্বাসৰ।

# মই বিষ্ণুৰাভাই কৈছো

শ্ৰীপ্ৰফুল্ল ৰাভা
১ম বাৰ্ষিক, উঃ মাঃ

মোৰ এখনেই দেশ আছিল
জাগি উঠিছিলো অনিৰ্দিষ্ট কাললৈ
গাত বাগৰুম্বাই নাচিছিল
লক্ষ্য আছিল সীমাহীন
কিন্তু তোমালোক দেখো
আজিও বিভ্ৰান্ত
মই এৰি আহিছিলো
তোমালোকক দিব পৰা মোৰ সকলো
মোক ৰোমান্টিক নকৰিবা
সংগ্ৰামী চেতনাৰ গীতবোৰ
পাহৰি নাযাবা—
মোৰ এখনেই দেশ আছিল
সকলো মানুহবোৰ মোৰ আপোন আছিল
মোক নিসঙ্গ নকৰিবা।



## ॥ নেলচন মেণ্ডেলা ॥

**শ্ৰীঅৰুণ চন্দ্ৰ বড়ো**
২য় বাৰ্ষিক উঃ মাঃ (বিজ্ঞান)

সেই যে ক'লা মানুহটো
তাৰ জন্মটোৱেই এটা বিপ্লৱ
সি ছটিয়ালে ৰঙৰে মৰ্যাদা কিনিব নোৱাৰাৰ শ্ল'গান
হাতৰ মুঠি তুলি ধৰি ক'লে
আকাশ, আমাকো বিশুদ্ধ অক্সিজেন দিব লাগিব
প্ৰতিটো কণা কঁপি উঠিল তাৰ শুদ্ধ মস্তিষ্কৰ ভৰত
সি জানে মৰাপাটৰ গুটিৰ পৰা সৰিয়হ গুটি
বাছিবলৈ বৰ টান
তথাপিও বৈ নাথাকিল প্ৰিটোৰিয়াৰ ক'লা সন্তান
দুহাতে তুলি ল'লে সূৰ্য নমাই অনাৰ জখলা
সি চিঞৰি চিঞৰি জনাই দিলে —আমাৰ ওঁঠ দুটিক
খুলি নিদিয়ালৈকে, হাতৰ মুঠিৰ জোনাকখিনি
ভোতাই নিদিয়ালৈকে বিশ্ৰাম সুদূৰ পৰাহত
এয়া সিয়েই আজি কাৰাগাৰৰ এন্ধাৰ ফালি
কঢ়িয়াই আনিলে এটি নতুন সূৰ্য
মই ভিতৰি ভিতৰি আনন্দতে কান্দি পেলাইছো
বৰ ইচ্ছা হয় ক'লা মানুহটোক এবাৰ চাবলৈ।

—x—

## আইলৈ

কুমাৰী মীৰা মহন্ত
৩য় বাৰ্ষিক, স্নাতক

যেতিয়াই চাওঁ দেখো মোৰ আইৰ
বিষন্ন মুখত চকুপানী
তেতিয়া নিজকে বৰ অসহায় যেন লাগে।
মোৰ চকু ফুটাই দিয়া
মোৰ কলিজা কালি চিৰাচিৰ কৰা
মই সকলো সহিম
মাথো মোৰ আইৰ বিষন্ন মুখত
হাঁহিৰ নিজৰা বোৱাই দিয়া।

—০—

[ এজনী দাৱনি···
দহো আঙুলিত
তাইৰ
বিৰবিৰ সোণালী
ধাননি।]

— হীৰেণ ভট্টাচাৰ্য

## জীৱন

শ্ৰীশোণিত বাভা
প্ৰথম বাৰ্ষিক, উঃ মাঃ

জীৱন মানে নহয় বিলাস
নহয় নীৰৱতাৰ গান
জীৱন মানে নহয় এখনি
মৰুৰ বুকুত হেৰাই যোৱা জুৰি
জীৱন মানে দুখ-যাতনাৰ
পোৱা-নোপোৱাৰ থলি
জীৱন মানে সময় সোঁতত জাকি মৰা
যুঁজৰ এখনি ছবি।

[ মই যি কবিতা ৰচোঁ, গানৰ ভাষাৰে গাওঁ
প্ৰাণৰ বিননি,
কোনোবা জোনাক নিশা তৰুণ হিয়াত তাৰ
লাগেনে কঁপনি ? ]

—দেৱকান্ত বৰুৱা।

## পৰাজয়

শ্ৰীলোহিত ৰাভা
১ম বাৰ্ষিক, স্নাতক

সূৰ্য উঠাৰ আগতে
এটি শিশু ভূমিষ্ঠ হৈছিল
মই বিতত হৈছিলো সূৰ্যৰ
সম্মুখত তাৰ অৰুণি মুখৰ
হাঁহি চাবলৈ
মই ভবা নাছিলো অবাঞ্ছিত
পিশাচটোৱে তাক খামুচি ধৰিব
আঙুলিৰ ফাঁকে নিসৃত
তেজেৰে সি তাৰ তৃষ্ণা আঁতৰাব
আকৌ এবাৰ পৰাজিত হলো
মোৰ দৰেই সেই নিষ্পাপ শিশুটি
লুণ্ঠিত হ'ল দীনতাৰ
পৈশাচিক আক্ৰমণত ।

—০)।(০—

## তেজৰ নৈ

শ্ৰীজয়ন্ত কলিতা
প্ৰথম বাৰ্ষিক, স্নাতক

মোৰ দেশত এতিয়া ৰাষ্ট্ৰযন্ত্ৰৰ ষড়যন্ত্ৰ
বিপন্ন হৃদয়
চৌদিশে মৃত্যু মহোৎসৱ
সন্ত্ৰাসৰ ৰাজত্ব
ধৰ্ষণ বলাৎকাৰ
হালোৱা বন্নুৱাৰ আৰ্ত চিৎকাৰ
নুবুজে যি ৰাজনীতি
বুজে মাথো দুবেলা দুমুঠি
সন্ধিয়াৰ বতাহজাকে কঢ়িয়াই আনে
অশুভ সংকেত আৰু মাজৰাতিৰ
নীৰৱতা
তেজৰ নৈ বয় মোৰ এই
শ্যামল ভূমিত ।

—)×(—

## ঃ সমন্বয় ঃ

শ্ৰীহেমন্ত মহন্ত
প্ৰথম বাৰ্ষিক, উঃ মাঃ

তাই কাঢ়ি লৈ গ'ল
আমাৰ বুকুৰ অকৃত্ৰিম ভালপোৱা
তাই কাঢ়ি লৈ গ'ল ভাতৃত্বৰ
নিস্বাৰ্থ প্ৰেম আৰু সমাজসেৱা
নিলে মানুহৰ বিমল সুখৰ
অমল হাঁহি
তাই দি গ'ল বোমা-বাৰুদৰ বিভীষিকা
আৰু দি গ'ল দ্বেষ-বিদ্বেষৰ এটি
দানৱীয় সভ্যতা।

## ক্ষুব্ধ মন

শ্ৰীপ্ৰসন্ন বাড়া
১ম বাৰ্ষিক, উঃ মাঃ

আশাৰ বাটত হেৰাল পোৱাৰ ঠিকনা
অবাঞ্ছিত প্ৰত্যাবৰ্ত্তন
ক্ষুধাৰ পাত্ৰত শূন্যৰ সমাগম
প্ৰেমত পাত্ৰত বিদ্ৰূপৰ অবগাহন
সভ্যতাৰ মাপ-কাঠিত কাটিলে৷
ভেদাভেদ হিংসাৰ দাগ
মন্দিৰ-মছজিদত যুদ্ধৰ আয়োজন
ঈশ্বৰ-আল্লা ভয়ত ত্ৰস্তমান।

—×—

## —বিষাদ—

মিচ্‌ জবা ঠাকুৰীয়া
২য় বাৰ্ষিক, স্নাতক

মনৰ বনত এজাক ধুমুহা
নিষ্ঠুৰ আঘাতত চিৰাচিৰ
জীৱনৰ মধুৰ সপোন
সময়ৰ চাকনৈয়াত কঁপে
স্মৃতিৰ পাপৰি
মোৰ সমগ্ৰ সত্তা এতিয়া
আঁউসীৰ আন্ধাৰত।

## —অবক্ষয়—

শ্রীদ্বিজেন্দ্র কুমাৰ দাস
১ম বাৰ্ষিক, স্নাতক

কলঘৰৰ চকাবোৰ আজিও ঘূৰে
কোমল পাতৰ বুকুত
তাইৰ মৰমবোৰ
টোপা-টোপে সৰে
মাদলৰ ছেঁৱে তাইক
আমনি কৰে
নিশাৰ নিবিড়ত
তাই গা ধুই
চাহ গছৰ মাজে মাজে
সেউজীয়া পাতৰ আঁৰে আঁৰে
জোনাক বিচাৰি যায়
উমি উমি জ্বলি থকা
বেদনাৰ জুই কুৰা
কলঘৰৰ ধোঁৱাৰ মাজত হেৰায়।

## ॥ আৰু কিমান দিন ॥

শ্ৰীপ্ৰগতি খাটনীয়াৰ
১ম বাৰ্ষিক, উঃ মাঃ

অধিকাৰ বিচাৰিলেই
ৰাজপথত তেজৰ চেকা
পঁজাঘৰত জুই
ধৰ্ষিতা নাৰীৰ বিদাৰক-বেদনা
এইবোৰ সকলোৰে
চিনাকি কলঙ্ক

কিন্তু এতিয়া সময় উত্তেজনাময়
নৈ-নলা, পথাৰ-পাহাৰ সকলোতে
কঠিন ভৰিৰ খোজৰ শব্দ
বুকুৰ মাজত নতুন তেজৰ স্পন্দন
মানুহে মানুহে স্বাধিকাৰ
সাব্যস্তৰ দুৰ্বাৰ হেপাহ। ×